**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2024 **Time :** 0755 Hrs.

# <u>Assamese Morning Bulletin</u>

ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ সুবিধা অবৈধভাৱে গ্ৰহণ কৰি থকা ৬৮২ গৰাকী চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে শীঘ্ৰেই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। ডিব্ৰুগড়ৰ অসম সচিবালয়ত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। অবৈধভাৱে অৰুণোদয়ৰ সুবিধা গ্ৰহণ কৰা এই কৰ্মচাৰীসকলৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰম্ভ কৰা আৰু কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাত মন্ত্ৰীসভাই অনুমোদন জনাইছে। বৈঠকত ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালনৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। বছৰটোৰ ভিতৰত সকলো জিলাতে গ্ৰন্থমেলা অনুষ্ঠিত হ'ব আৰু গ্ৰন্থ অধ্যয়নৰ সংস্কৃতিৰ প্ৰসাৰ ঘটোৱা হ'ব। নতুন বছৰৰ উপহাৰ হিচাপে কিতাপ প্ৰদানৰ ব্যৱস্থাও কৰা হ'ব। বিভাগসমূহে চৰকাৰী কৰ্মচাৰীসকলৰ মাজত অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ বাবে এই বছৰটোতে পুথিভঁৰাল গঢ়ি তুলিব। তদুপৰি বন গাঁওৰ গাঁওবুঢ়ালৈ ৯ হাজাৰ টকাকৈ পাৰিতোষিক প্ৰদানৰ বাবেও মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই পাৰিশ্ৰমিক বনগাঁৰৰ ২৭৮ জন গাঁও প্ৰধান আৰু ৬৬৮গৰাকী বন অধিকাৰ আইনৰ গাঁৰৰ গাঁওপ্ৰধানক প্ৰদান কৰিবলৈ অনুমোদন জনোৱা হৈছে। ষষ্ঠ অনুসূচীৰ এলেকাৰ বাহিৰত এই নিয়ম প্ৰযোজ্য হ'ব। এই সিদ্ধান্তসমূহ অহা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

বৰদিনৰ প্ৰাককক্ষণত ৰাজ্যত খ্ৰীষ্টধৰ্মী লোকসকলৰ মাজত বৰদিনৰ আনন্দ-উল্লাস আৰম্ভ হৈছে। এই উপলক্ষে গীৰ্জাঘৰৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙী ফুল, তৰা, খ্ৰীষ্টমাছ ট্ৰী আৰু আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। আজি মাজনিশাৰ পৰা গীৰ্জাসমূহত বৰদিনৰ বিশেষ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰল পৰিৱেশন কৰা হ'ব। প্ৰভু যীশুৰ প্ৰশংসা আৰু স্তুতি গীতেৰে ইতিমধ্যে গীৰ্জাসমূহ মুখৰ হৈ পৰিছে।

ৰাজ্যৰ অন্যান্য জিলাসমূহৰ লগতে শিৱসাগৰ জিলাতো বৰদিনৰ আনন্দ-উল্লাস বিৰাজ কৰিছে। এই উপলক্ষে উত্তৰ-পূব ভাৰতৰ দ্বিতীয় পুৰণি গীৰ্জা ৰূপে পৰিচিত শিৱসাগৰ ব্যাপ্তিষ্ট গীৰ্জাত কালি এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰাক্ বৰদিনৰ কাৰ্যসূচীৰ অংশৰূপে শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত খ্ৰীষ্টধৰ্মী লোকসকলে উলিওৱা এটা সমদলে শিৱসাগৰ নগৰ পৰিভ্ৰমণ কৰে। হাতত মমবাতি লৈ কেৰল পৰিৱেশন কৰি আনন্দৰ বাৰ্তা বিনিময় কৰা এই সমদলটোৱে নগৰখনত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। প্ৰাক্ বৰদিনৰ মূল প্ৰাৰ্থনা আজি সন্ধিয়া অনুষ্ঠিত হ'ব।

০০০০০০০

যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ কালি সন্ধিয়া মুম্বাইৰ এখন হস্পিতালত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভুগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে যোৱা ১৪ ডিচেম্বৰত ৯০ বছৰ সম্পূৰ্ণ কৰিছিল। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মান্দি, মন্থন, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শেহতীয়াকৈ তেওঁ ভাৰত আৰু বাংলাদেশৰ যৌথ উদ্যোগত **মুজিদঃ দ্যা মেকিং অৰ এ নেচন** নামৰ হিন্দী আৰু বাংলা দ্বিভাষিক ছবি নিৰ্মাণ কৰিছিল। দূৰদৰ্শনৰ হৈও তেওঁ **ভাৰত এক খোজ** আৰু **সমিধান**ৰ দৰে বহু জনপ্ৰিয় ধাৰাবাহিক নিৰ্মাণ কৰিছিল। ১টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত বেনেগালে ২০০৫ চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে সন্মানিত হৈছিল।

০০০০০০০

ডিব্ৰুগড় বিমান বন্দৰৰ সম্প্ৰসাৰিত ৰানৱেটো ২০২৫ বৰ্ষত কাৰ্যক্ষম হৈ উঠিব বুলি বিমান বন্দৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত কালি অনুষ্ঠিত উপদেষ্টা সমিতিৰ এখন বৈঠকত কৰ্তৃপক্ষই এই কথা অৱগত কৰে। বৈঠকত বিমান বন্দৰটোৱে যাতে দেশৰ অন্য আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰবোৰৰ সৈতে ফেৰ মাৰিব পাৰে, তাৰবাবে প্ৰয়োজনীয় সকলো আন্তঃগাঁথনিমূলক ব্যৱস্থা উন্নত কৰাৰ লগতে যাত্ৰীসকলৰ চলাচলৰ সুবিধা অধিক সূচল কৰাৰ দিশত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিয়ে।

0000000

সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ আসন্ন নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে পৰিষদৰ অধীনৰ ৩২ টা পৰিষদীয় সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। আয়োগে সদৰি কৰা তথ্য অনুসৰি উজনি অসমৰ ৭ খন জিলাৰ ৩২ টা সমষ্টিৰ মুঠ ভোটদাতাৰ সংখ্যা ২ লাখ ৯৩ হাজাৰ ৯১৪। ইয়াৰে ১ লাখ ৪৫ হাজাৰ ৩০৭ জন পুৰুষ আৰু ১ লাখ ৪৮ হাজাৰ ৬০৬ গৰাকী মহিলা ভোটদাতা আছে।

0000000

সমাপ্ত